
DAILY ASSAM

# পাঠ - ১৪ বিদ্যা

***সকলো কাম আশা কৰা ধৰণে সমাপন কৰিবলৈ বিশেষ দক্ষতাৰ আৱশ্যক। প্ৰতিটো কামৰ বাবে সুকীয়া ধৰণৰ আহিলা থাকে। সেই আহিলা অবিহনে আগবঢ়া প্ৰায় অসম্ভৱ। দক্ষতা অৰ্জন কৰিবলৈ 'বিদ্যা' অৰ্থাৎ সেই সম্পৰ্কে বিশদ জ্ঞানৰ প্ৰয়োজন। জীৱনত সফল হ'বলৈ হ'লে যথোপযুক্ত বিদ্যা অৰ্জন কৰাটো বিশেষ গুৰুত্বপূৰ্ণ। এই পাঠটোত সেই কথাই প্ৰতিফলিত হৈছে।***

লাগতিয়াল আহিলাপাতি যতনাই নল'লে কোনো কাম সুকলমে কৰিব নোৱাৰি; কাপ নহ'লে লিখন কাম কৰিব নোৱাৰি, হাল নহ'লে কৰ্ষণ কাম কৰিব নোৱাৰি, চৰু নহ'লে ৰান্ধন কাম কৰিব নোৱাৰি। এইবোৰ কামৰ যেনে সুকীয়া আহিলা আছে, উদ্‌গতি সাধনৰো তেনে সুকীয়া আহিলা আছে, আগে সেই আহিলাবোৰ গোটাই নল'লে কামত উদ্‌গতি কৰিবলৈ টান হয়। বিদ্যা উদ্‌গতিৰ ঘাই আহিলা, এতেকে যি উদ্‌গতি কৰিব খোজে, সি আগে বিদ্যা যতনাই লোৱা উচিত। বিদ্যা যে মনুষ্য জীৱনৰ এটা ঘাই বস্তু তাক নতুনকৈ প্ৰমাণ কৰিবৰ সকাম নাই, বিদ্যাহীন জীৱন বৃথা বুলি সকলোৱে স্বীকাৰ কৰে। বিদ্যাৰ আলম নহ'লে কোনেও কোনো বিষয়ত উদ্‌গতি কৰিব নোৱাৰে। আজিকালি যিবিলাকে উদ্‌গতি সাধন কৰি পৃথিৱীত নাম জ্বলাইছে, তেওঁবিলাকলৈ চালেই এই কথাৰ সুন্দৰ প্ৰমাণ পোৱা যায়, তেওঁবিলাকৰ সকলোৱেই গভীৰ বিদ্যাৰ গৰাকী। আগৰ কালৰ খ্যাতিমন্ত মানুহবিলাকো বৰ বিদ্যাৱন্ত আছিল।



বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে। বিদ্যাই আন্ধাৰ কাটি মন ফৰকাল নকৰিলে, মানুহে তাৰ ক্ষমতা লগাবলৈ ঠাই দেখা নাপায়। লিখনি থাকিলেও খনিকৰে আন্ধাৰত চিত্ৰ আঁকিব নোৱাৰে। বিদ্যাৰে মন পোহৰাই নল'লে সংসাৰত কৰ্ম কৰিবলৈ সুচল নহয়। এতেকে উদ্‌গতিৰ পথত যাত্ৰা কৰিবৰ আগেয়ে বিদ্যা যুগুত কৰি লোৱা উচিত।

**লেখক — সত্যনাথ বৰা**

*উৎস - সাৰথি, ৭ম তাঙ্গৰণ, ১৮৪৬ শক, পৃষ্ঠা - ৮ আৰু ৯*

***বিঃদ্ৰঃ** মূল পাঠত থকা নললে, নহলে, উদগতি, আৰু কৰ্ম্ম শব্দৰ বানানবোৰ বৰ্তমানৰ প্ৰচলিত নিয়ম আৰু চন্দ্ৰকান্ত অভিধানৰ মতে নল'লৈ, নহ'লৈ, উদ্‌গতি আৰু কৰ্ম কৰা হ'ল।*

জানো আহা

**সত্যনাথ বৰা (১৮৬০-১৯৫২)** ঃ সত্যনাথ বৰাৰ জন্ম গুৱাহাটীত। ‘জোনাকী’, ‘বিজুলী’, ‘আসাম বন্ধু’, ‘বাঁহী’ আদি সমসাময়িক আলোচনীত তেখেতে প্ৰবন্ধ-পাতি লিখিছিল। ১৮৯৯ চনত তেখেত ‘জোনাকী’ কাকতৰ সম্পাদক আছিল। ‘আকাশ ৰহস্য’, ‘সাৰথি’, ‘সাহিত্য বিচাৰ’, ‘কেন্দ্ৰসভা’, ‘চিন্তাকলি, ‘বহল ব্যাকৰণ’ আদি গ্ৰন্থ ৰচনাৰ লগতে তেখেতে গীত আৰু খুহুটীয়া কবিতাও ৰচনা কৰিছিল। তেখেতৰ গীতৰ পুথিখনৰ নাম ‘গীতাৱলী’। সত্যনাথ বৰাই লিখা বিভিন্ন প্ৰবন্ধ আৰু পুথিসমূহত কথাশৈলীৰ বিশেষত্ব মন কৰিবলগীয়া। তদুপৰি, তেখেতৰ ভাষাশৈলীৰ মাজত নতুন চিন্তাৰ উন্মেষ লক্ষণীয়। ‘বিদ্যা’ পাঠটো তেখেতৰ ‘সাৰথি’ পুথিৰ পৰা লোৱা হৈছে।



ক্ৰিয়া-কলাপ

## ক— পাঠভিত্তিক ক্ৰিয়া

**১। পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়া।**

**২। পাঠটোৰ মূল কথাখিনি কোৱা আৰু লিখা।**

**৩। উত্তৰ দিয়া।**

(ক) লিখন, কৰ্ষণ আৰু ৰন্ধন কাম কৰিবলৈ কি কি বস্তুৰ প্ৰয়োজন হয়?

(খ) সুকলমে কাম কৰিবলৈ কিহৰ প্ৰয়োজন হয়?

(গ) উদ্‌গতিৰ ঘাই আহিলা কি?

(ঘ) বিদ্যাহীন জীৱন কেনে বুলি কোৱা হৈছে?

(ঙ) কি কৰিলে সংসাৰত কৰ্ম কৰিবলৈ সুচল হয়?

(চ) পৃথিৱীত নাম উজ্বলাবলৈ কি আয়ত্ত কৰিব লাগিব?

(ছ) কি থাকিলেও খনিকৰে আন্ধাৰত চিত্ৰ আঁকিব নোৱাৰে?

**৪। সত্য নে অসত্য লিখা।**

(ক) কাপ নহ’লে লিখন কাম কৰিব নোৱাৰি।

(খ) বিদ্যাহীন জীৱন সুখৰ বুলি সকলোৱে স্বীকাৰ কৰে।

(গ) হাল নহ’লে কৰ্ষণ কৰিব নোৱাৰি।

(ঘ) আগৰ কালৰ খ্যাতিমন্ত লোকসকলো বৰ বিদ্যাৱন্ত নাছিল।

☛ *পুথিভঁৰালৰ পৰা সত্যনাথ বৰাৰ অন্যান্য পুথি সংগ্ৰহ কৰি পঢ়াৰ সুবিধা দিব।*

**৫। খালী ঠাই পূৰ কৰা।**

(ক) লাগতিয়াল —— যতনাই নল'লে কোনো কাম —— কৰিব নোৱাৰি।

(খ) এইবোৰ কামৰ যেনে —— আহিলা আছে, —— কামৰো তেনে সুকীয়া —— আছে।

(গ) বিদ্যাই —— কাটি মন ফৰকাল নকৰিলে, মানুহে তাৰ —— লগাবলৈ ঠাই দেখা নাপায়।

(ঘ) —— ন'হলে লিখন কাম কৰিব নোৱাৰি।

(ঙ) বিদ্যাৰে মন —— নল'লে সংসাৰত —— কৰিবলৈ সুচল নহয়।

DAILY ASSAM

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**জানো আহা**

কাপ নহ'লে লিখন কাম কৰিব নোৱাৰি

চৰু নহ'লে ৰান্ধন কাম কৰিব নোৱাৰি।

**ওপৰত উল্লেখ কৰা** বাক্য দুটাত থকা 'লিখন' আৰু 'ৰান্ধন' শব্দ দুটাই কোনো কাৰ্যৰ **বিষয়ে বুজাইছে**। এইদৰে যি পদে ক্ৰিয়াৰ কাৰ্য বুজায় তাক ক্ৰিয়াবাচক বিশেষ্য বোলে। **'ৰান্ধন'**, 'লিখন' শব্দ দুটাৰ দৰে, 'খাৱন', 'শোৱন', 'পঠন' আদি ক্ৰিয়াবাচক বিশেষ্য।

**৬। তলৰ বাকচত থকা শব্দবোৰৰ পৰা ক্ৰিয়াবাচক বিশেষ্য পদবোৰ বাছি উলিওৱা।**

| |
|---|
| পোহৰাই, খোৱা, ৰান্ধন, কথন, লিখন, শোৱা, দাৱন, পঢ়ন |

**জানো আহা**

তোমালোকে পাঠটোত থকা 'খ্যাতিমন্ত' আৰু 'বিদ্যাৱন্ত' শব্দ দুটালৈ মন কৰিছানে? খ্যাতি + মন্ত, বিদ্যা + ৱন্ত। এই '-মন্ত' আৰু '-ৱন্ত' প্ৰত্যায়ন্ত শব্দবোৰ 'এওঁৰ এইটো আছে' অৰ্থত ব্যৱহাৰ হয়। অসমীয়া ভাষাৰ তেনে কেইটামান শব্দ হ'ল— ধনৱন্ত, শ্ৰীমন্ত, জ্ঞানৱন্ত ইত্যাদি।

৭। উদাহৰণত দিয়াৰ দৰে শব্দ গঠন কৰা আৰু নতুনকৈ পোৱা শব্দৰ অৰ্থ অভিধানত চাই লিখা।

| | | |
|---|---|---|
| শ্ৰী | মন্ত | শ্ৰীমন্ত |
| শক্তি | | |
| খ্যাতি | | |

| | | |
|---|---|---|
| ৰূপ | ৱন্ত | |
| আঢ্য | | |
| গুণ | | |

৮। সমাৰ্থক শব্দবোৰ আঁচ টানি মিলোৱা।

| | |
|---|---|
| সুকলমে | নিষ্ফল |
| সুকীয়া | পৰিষ্কাৰ |
| বৃথা | প্ৰয়োজনীয় |
| ফৰকাল | অনায়াসে |
| পোহৰ | পৃথক |
| লাগতিয়াল | আলোক |



৯। বাঁওফালৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ সোঁফালৰ শব্দ সম্ভাৰৰ পৰা বাছি উলিয়াই মাজৰ ঘৰটোৰ ভিতৰত লিখা।

| শব্দ | বিপৰীত অৰ্থ বুজোৱা শব্দ | শব্দ সম্ভাৰ |
|---|---|---|
| লাগতিয়াল | অলাগতিয়াল | প্ৰয়োজনীয়, অলাগতিয়াল, দৰকাৰী |
| উদ্‌গতি | অধোগতি | উৎপত্তি, উন্নতি, অধোগতি |
| বিদ্যাহীন | বিদ্যাৰম্ভ | অবিদ্যা, বিদ্যাৰম্ভ, বিদ্যালয়, |
| আন্ধাৰ | পোহৰ | তিমিৰ, অমানিশা, পোহৰ, |

DAILY ASSAM

১০। বাক্য ৰচনা কৰা।

খ্যাতিমন্ত , উদ্‌গতি, পৃথিৱী, খনিকৰ, বৃথা

১১। দলত আলোচনা কৰি লিখা।

'ৰান্ধন' শব্দটোৰ পৰা ৰান্ধনি, ৰান্ধনী, ৰান্ধনিশাল, ৰান্ধনি-বেলি আদি অনেক শব্দ সাজিব পাৰি। 'বিদ্যা' শব্দটোৰ পৰা তেনেকৈ কিমান শব্দ সাজিব পাৰি লিখা।

১২। তলৰ শব্দবোৰ বৰ্ণৰ ক্ৰম ৰক্ষা কৰি সজোৱা। (অভিধানৰ ক্ৰমত)

যশস্যা, সকাম, সুচল, কৰ্ষণ, আলম, লিখনি, ৰশ্মি, বৃথা, চৰু, গভীৰ, খনিকৰ, ধন।

## গ — জ্ঞান সম্প্ৰসাৰণ

১৩। তুমি পঢ়া শিশু আলোচনী এখনৰ পৰা তোমাৰ ভাল লগা কবিতা বা গল্প দলত পঢ়ি শুনোৱা।

১৪। আগৰ দিনত ৰন্ধনৰ কাৰণে 'চৰু' ব্যৱহাৰ কৰিছিল। বৰ্তমান সময়ত আমি 'চৰু'ৰ উপৰি আন কি কি আহিলাৰে ৰন্ধা-বঢ়া কৰোঁ, লিখা।

১৫। খেতি কৰিবলৈ যিদৰে আমাৰ কেইবাবিধো সঁজুলিৰ প্ৰয়োজন, ঠিক সেইদৰে লিখা-পঢ়া কৰিবলৈ প্ৰয়োজন হোৱা সামগ্ৰীবোৰ কি কি?

## প্ৰকল্প

১৬। তোমাৰ আৰু শ্ৰেণীৰ লগৰীয়াসকলৰ স্ব-ৰচিত কবিতা, চিত্ৰাংকন সংগ্ৰহ কৰি বিদ্যালয়ৰ বাবে এখন প্ৰাচীৰ পত্ৰিকা যুগুত কৰা আৰু সেইখন তোমাৰ বিদ্যালয়ৰ সুবিধাজনক ঠাইত আৰি থোৱা।

- *১২ নং ক্ৰিয়া-কলাপ কৰোঁতে অভিধানৰ ক্ৰম জনাবলৈ আৰ্হি হিচাপে অভিধান দেখুৱাব।*
- *ছাত্ৰ-ছাত্ৰীসকলক প্ৰাচীৰ পত্ৰিকাখনি লিখা আৰু অৱাৰ ব্যৱস্থা কৰাত সহায় কৰিব।*